# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 30-06-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ভাৰতে দক্ষিণ আফ্ৰিকাক পৰাস্ত কৰি ১৭ বছৰৰ পাছত দ্বিতীয় বাৰৰ বাবে আই চি চি, টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে।

২। ৰাষ্ট্ৰপতি, উপ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে টি-টুৱেণ্টি বিশ্বকাপৰ খিতাপ অৰ্জন কৰাৰ বাবে ভাৰতীয় দলক অভিনন্দন জনাইছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব।

৪। বিদেশমন্ত্ৰী ডঃ এছ্. জয়শংকৰ চৰকাৰী ভ্ৰমণসূচীৰে আজি কাটাৰলৈ যাব।

*আৰু*

৫। ভাৰতৰ মালবিকা বন্স'ড়ে টেক্সাছত অনুষ্ঠিত ইউ এছ্ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

ভাৰতে যোৱানিশা দক্ষিণ আফ্ৰিকাক ৭ ৰানত পৰাস্ত কৰি ১৭ বছৰৰ পাছত দ্বিতীয় বাৰৰ বাবে আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ দখল কৰে। ভাৰতে কিংষ্টন অভেলত অনুষ্ঠিত খেলখনত প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ বিৰাট কোহলিৰ ৭৬ আৰু অক্সৰ পেটেলৰ ৪৭ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৭৬ ৰান কৰে। আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ইতিহাসত এয়া হৈছে ফাইনেলত কোনো দলে সংগ্ৰহ কৰা সৰ্বাধিক স্ক'ৰ। দক্ষিণ আফ্ৰিকাৰ হৈ এনৰিক ন'ৰ্টজে আৰু কেশৱ মহাৰাজে দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৬৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। দক্ষিণ আফ্ৰিকাৰ হৈ হেনৰিক ক্লাছেনে সৰ্বাধিক ৫২ ৰান কৰে। ভাৰতৰ হাৰ্দিক পাণ্ডিয়াই তিনিটা উইকেট দখল কৰাৰ বিপৰীতে যশপ্ৰীত বুমৰাহ আৰু অৰ্শদীপ সিঙে দুটাকৈ উইকেট লাভ কৰে। বিৰাট কোহলিক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে আৰু প্ৰতিযোগিতাত ৮ খন খেলত ১৫টা উইকেট লাভ কৰা যশপ্ৰীত বুমৰাহক প্লেয়াৰ অব্ দ্যা টুৰ্ণামেণ্ট হিচাপে ঘোষণা কৰা হয়। ভাৰতে ইয়াৰ পূৰ্বে ২০০৭ চনত টি-টুৱেণ্টি বিশ্বকাপৰ খিতাপ লাভ কৰিছিল। কালিৰ খেলখনত জয়লাভ কৰাৰ পাছতেই বিৰাট কোহলি আৰু ৰোহিত শৰ্মাই টি-টুৱেণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ কথা ঘোষণা কৰে।

ৰাষ্ট্ৰপতি, উপ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে টি-টুৱেণ্টি বিশ্বকাপৰ খিতাপ অৰ্জন কৰাৰ বাবে ভাৰতীয় দলক অভিনন্দন জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সামাজিক মাধ্যম যোগে কৈছে যে, হাৰ নমনাৰ মানসিকতাৰে ভাৰতীয় দলে কঠিন পৰিস্থিতি অতিক্ৰম কৰি প্ৰতিযোগিতাত অসাধাৰণ দক্ষতা প্ৰদৰ্শন কৰিছে। তেওঁ কয় যে, ভাৰতীয় দলক লৈ সমগ্ৰ দেশ গৌৰৱান্বিত।

আনহাতে, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে সামাজিক মাধ্যমৰ এটা পোষ্টত কয় যে, টি-টুৱেণ্টি বিশ্বকাপৰ ফাইনেলত ভাৰতৰ আকৰ্ষণীয় জয়ত সমগ্ৰ দেশ উৎফুল্লিত হৈ পৰিছে। প্ৰতিযোগিতাত ভাৰতীয় দলৰ আকৰ্ষণীয় প্ৰদৰ্শন খেলুৱৈসকলৰ নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমৰ প্ৰমাণ বুলি উপ ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ বাৰ্তাত কয় যে, ভাৰতীয় ক্ৰিকেট দলক লৈ দেশ গৌৰৱান্বিত। তেওঁ কালিৰ ফাইনেল খেলখনক ঐতিহাসিক বুলি অভিহিত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১১ সংখ্যক খণ্ড। আনহাতে শ্ৰীমোদীয়ে একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়া হ'ব মন কী বাতৰ প্ৰথমটো খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটোৰ ঠিক পাছতে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুৰ জীৱন আৰু কৰ্মক সামৰি ৰচনা কৰা তিনিখন গ্ৰন্থ উন্মোচন কৰিব। শ্ৰীনাইডুৰ ৭৫ বছৰীয়া জন্মদিনৰ লগত সংগতি ৰাখি গ্ৰন্থ তিনিখন উন্মোচন কৰিবলৈ লোৱা হৈছে। হায়দৰাবাদৰ গাছিবউলিৰ অন্বয়া প্ৰেক্ষাগৃহত প্ৰাক্তন উপ-ৰাষ্ট্ৰপতিগৰাকীৰ জন্ম দিন উপলক্ষে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে উন্মোচন কৰিবলগীয়া গ্ৰন্থকেইখন হৈছে– আগশাৰীৰ কাকত দি হিন্দুৰ হায়দৰাবাদ সংস্কৰণৰ প্ৰাক্তন আৱাসিক সম্পাদক এছ নাগেশ কুমাৰৰ “VENKAIAH NAIDU - LIFE IN SERVICE”, উপ-ৰাষ্ট্ৰপতিৰ প্ৰাক্তন সচিব ডং আই ভি চুববা ৰাওৰ CELEBRATING BHARAT - THE MISSION AND MESSAGE OF SHRI M VENKAIAH NAIDU AS 13TH VICE-PRESIDENT OF INDIA আৰু সঞ্জয় কিশোৰৰ “MAHANETA - LIFE AND JOURNEY OF SHRI M. VENKAIAH NAIDU”।

ooooo

কেন্দ্ৰীয় অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰী জিতনৰাম মাঝিয়ে কালি দেশৰ খাদী আৰু গ্ৰামোদ্যোগ খণ্ডৰ বিকাশৰ বাবে খাদী আৰু গ্ৰামোদ্যোগ আয়োগৰ অধীনৰ বিভিন্ন আঁচনি আৰু কাৰ্যসূচীৰ পৰ্যালোচনা কৰে। এই পৰ্যালোচনা বৈঠকত অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ ৰাজ্যমন্ত্ৰী শোভা কাৰাণ্ডলাজে, খাদী আৰু গ্ৰামোদ্যোগ আয়োগৰ অধ্যক্ষ মনোজ কুমাৰ আৰু মন্ত্ৰালয়ৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়াই অংশগ্ৰহণ কৰে। নতুন

দিল্লীত আয়োজিত এই বৈঠকত শ্ৰীমাঝিয়ে খাদীৰ কলা-কুশলী আৰু খাদী আৰু গ্ৰামোদ্যোগ খণ্ডৰ বিকাশৰ বাবে বিভিন্ন আঁচনিৰ সফল ৰূপায়ণৰ বাবে ল'বলগীয়া প্ৰয়োজনীয় পদক্ষেপ সন্দৰ্ভত আলোকপাত কৰে।

০০০০০

বিদেশমন্ত্ৰী ডঃ এছ্. জয়শংকৰ চৰকাৰী ভ্ৰমণসূচীৰে আজি কাটাৰলৈ যাব। বিদেশ মন্ত্ৰালয়ে এখন বিজ্ঞপ্তিযোগে কৈছে যে, এই ভ্ৰমণৰ সময়ছোৱাত ডঃ জয়শংকৰে কাটাৰৰ প্ৰধানমন্ত্ৰী আৰু বিদেশমন্ত্ৰী শ্বেখ মহম্মদ বিন আব্দুল ৰহমান বিন জাছিম অল-থানিক সাক্ষাৎ কৰিব। তেওঁৰ এই ভ্ৰমণে দেশ দুখনৰ মাজত ৰাজনৈতিক, বাণিজ্য, বিনিয়োগ, শক্তি, সুৰক্ষা, সাংস্কৃতিক আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্কৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয় সামৰি দ্বিপাক্ষিক সম্পৰ্কৰ সকলো দিশৰ পৰ্যালোচনাৰ সুযোগ প্ৰদান কৰিব। মন্ত্ৰালয়ে লগতে কৈছে, ভাৰত আৰু কাটাৰে ঐতিহাসিক আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্ক বৰ্তাই আহিছে আৰু দুয়োপক্ষৰ মাজৰ উচ্চ পৰ্যায়ৰ ভ্ৰমণসমূহে ইয়াকেই সূচায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত কাটাৰ ভ্ৰমণ কৰিছিল আৰু কাটাৰৰ আমিৰ শ্বেখ তামিম বিন হামাদ অল থানিৰ সৈতে আলোচনাত মিলিত হয়।

০০০০০

কাশ্মীৰ উপত্যকাৰ হিমালয়ৰ ওপৰভাগত অৱস্থিত পৱিত্ৰ অমৰনাথ গুহা দৰ্শনৰ অৰ্থে বাৰ্ষিক তীৰ্থ যাত্ৰা কালি আনুষ্ঠানিকভাৱে আৰম্ভ হয়। ১৯ আগষ্টত শ্ৰাৱণ পূৰ্ণিমাৰ দিনা ৫২ দিনীয়া এই যাত্ৰাৰ সামৰণি পৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে পৱিত্ৰ অমৰনাথ যাত্ৰা আৰম্ভৰ এই ক্ষণত তীৰ্থযাত্ৰীসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে, বাবা বৰ্ফানিৰ দৰ্শন আৰু পূজা-অৰ্চনাৰ সৈতে জড়িত এই যাত্ৰাই ভগৱান শিৱৰ ভক্তসকলৰ মাজত অসীম শক্তিৰ সঞ্চাৰ কৰে। তেওঁ লগতে এই বুলি কামনা কৰে যে, বাবা বৰ্ফানিয়ে যেন সকলো ভক্তৰে জীৱন সমৃদ্ধ কৰি তোলে। ভক্তসকললৈ শুভেচ্ছা জ্ঞাপন কৰি গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে, পৱিত্ৰ অমৰনাথ যাত্ৰা ভাৰতীয় পৰম্পৰা আৰু সংস্কৃতিৰ অবিৰত ধাৰাৰ শ্বাসত প্ৰতীক। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰ ভক্তসকলৰ বাবে নিৰাপদ, সুগম আৰু আনন্দময় যাত্ৰা সুনিশ্চিত কৰিবলৈ বদ্ধপৰিকৰ। চৰকাৰে ভক্তসকল যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয় তাৰ বাবে সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ কৰিছে বুলি গৃহমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

ভাৰতৰ মালবিকা বন্স'ড়ে টেক্সাছত অনুষ্ঠিত ইউ এছ্ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। বিশ্বৰ ৪৯ নম্বৰ স্থানৰ মালবিকাই কালি কোৱাৰ্টাৰ ফাইনেলত বিশ্বৰ ২২ নম্বৰ স্থানৰ খেলুৱৈ তথা কমনৱেলথ গেমছত দুবাৰকৈ পদক বিজয়ী স্ক'টলেণ্ডৰ কিৰ্ষ্টি গিল্মৰক ১০-২১, ২১-১৫, ২১-১০ গেমত পৰাস্ত কৰে। ছেমি ফাইনেলত মালবিকা জাপানৰ নাট্‌চুকী নিদাইৰাৰ সন্মুখীন হ'ব।

ভাৰতৰ আন এগৰাকী খেলুৱৈ প্ৰিয়াংশু ৰাজাৱট পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত চীনৰ লেই লেন শ্বিৰ হাতত ২১-১৫, ১১-২১, ১৮-২১ গেমত পৰাভূত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। ত্ৰিষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটোও জাপানৰ য়ুনাকাৰ্ট আৰু ৰুই হিৰোকামীৰ হাতত পৰাজিত হৈছে।

০০০০০

ভাৰত, ইণ্ডোনেছিয়াৰ য়োগ্যকাৰ্টাত অনুষ্ঠিত বেডমিণ্টন এছীয়া জুনিয়ৰ মিক্সড টীম চেম্পিয়নশ্বিপৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰি-কোৱাৰ্টাৰ খেলত ভাৰতে ফিলিপাইনছক ৩-২ ফলাফলত পৰাজিত কৰে। আজি

ভাৰতে আয়োজক দেশ ইণ্ডোনেচিয়াৰ বিৰুদ্ধে খেলিব। পৰহি অনুষ্ঠিত গ্ৰুপ-চিৰ উদ্বোধনী খেলখনত ভিয়েটনামাক ৫-০ ফলাফলত পৰাজিত কৰি ভাৰতে নিজৰ অভিযান আৰম্ভ কৰে।

ইপিনে, ইণ্ডোনেছিয়াইয়ো গ্ৰুপৰ খেলত ফিলিপাইনছৰ বিৰুদ্ধে ৫-০ আৰু ভিয়েটনামৰ বিৰুদ্ধে ৪-১ ফলাফলত জয়লাভ কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০

**সমাপ্ত**